# 2020

## PHILOSOPHY

( Major )

Paper : 6.3

**( Contemporary Western Philosophy )**

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

*Answer* either *in English* or *in Assamese*

**1.** Answer the following as directed : 1×7=7

নিৰ্দেশানুযায়ী তলত দিয়াবোৰৰ উত্তৰ দিয়া :

*(a)* Belief in the primacy of ____ is a characteristic feature of existentialism.
( Fill in the blank )

____ ৰ প্ৰাধান্যত বিশ্বাস অস্তিত্ববাদৰ এটা বৈশিষ্ট্য।
( খালী ঠাই পূৰণ কৰা )

(b) "Man is condemned to be free." Name the philosopher who is associated with this statement.

"মানুহ স্বাধীন হ'বলৈ বাধ্য।" এই উক্তিটোৰ লগত জড়িত দাৰ্শনিকগৰাকীৰ নাম লিখা।

(c) Name the existentialist philosopher who is associated with the concept 'leap of faith'.

'বিশ্বাসৰ জঁাপ' ধাৰণাটোৰ সৈতে জড়িত অস্তিত্ববাদী দাৰ্শনিকজনৰ নাম লিখা।

(d) Which of the following sentences is true?

তলৰ কোনটো বাক্য সত্য?

(i) Existentialism is an emphasis on abstract thinking.

অস্তিত্ববাদে বিমূৰ্ত চিন্তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

(ii) Existentialism is related to logical positivism.

অস্তিত্ববাদ তৰ্কীয় প্ৰত্যক্ষবাদৰ সৈতে সম্পৰ্কিত।

(iii) Existentialism does not emphasize rationality.

অস্তিত্ববাদে বুদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ নকৰে।

*(e)* Name the second stage of existential transformation according to Kierkegaard.

কিৰ্কেগাৰ্ডৰ মতে মানৱ অস্তিত্বৰ পৰিৱৰ্তনৰ দ্বিতীয় স্তৰটোৰ নাম লিখা।

*(f)* With which of the following word the term 'intentionality' is associated?

নিম্নোক্ত কোনটো শব্দৰ লগত 'বস্তুমুখী' শব্দটো জড়িত?

*(i)* Body
শৰীৰ

*(ii)* God
ঈশ্বৰ

*(iii)* Consciousness
চেতনা

*(iv)* Religion
ধৰ্ম

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(g)* Who among the following is the author of the book *Being and Nothingness*?

তলত উল্লেখ কৰা সকলৰ ভিতৰত কোনগৰাকী *Being and Nothingness* গ্ৰন্থৰ প্ৰণেতা?

*(i)* Kierkegaard
কিৰ্কেগাৰ্ড

*(ii)* Neitzsche
নীৎসে

(iii) Hegel

হেগেল

(iv) J. P. Sartre

জে. পি. ছাৰ্ত্ৰ

( Choose the correct answer )

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

**2.** Answer the following in brief : 2×4=8

তলত দিয়াবোৰৰ চমু উত্তৰ দিয়া :

(a) In what sense phenomenology regards philosophy as a 'rigorous science'?

প্ৰতীতিবাদে কি অৰ্থত দৰ্শন এক 'কঠোৰ বিজ্ঞান' বুলি অভিহিত কৰিছে?

(b) What does Neitzsche's nihilism mean?

নীৎস্যেৰ শূন্যবাদে কি বুজায়?

(c) Name two atheistic existentialist philosophers.

দুগৰাকী নাস্তিক অস্তিত্ববাদী দাৰ্শনিকৰ নাম লিখা।

*(d)* State any two obstacles that obstruct the exercise of man's freedom according to Sartre.

ছাৰ্ত্ৰৰ মতে ব্যক্তিৰ স্বাধীনতাৰ অনুশীলনত বাধা জন্মোৱা যি কোনো দুটা প্ৰতিবন্ধক উল্লেখ কৰা।

**3.** Answer/Write short notes on any *three* of the following : 5×3=15

তলত দিয়া যি কোনো **তিনিটাৰ** উত্তৰ / সংক্ষিপ্ত টোকা লিখা :

*(a)* Write a note on Phenomenological reduction.

প্ৰতীতিবাদী বিশুদ্ধিকৰণৰ বিষয়ে এটি টোকা লিখা।

*(b)* Neitzsche's concept of 'will to power'

নীৎস্যেৰ 'ক্ষমতাৰ প্ৰতি ইচ্ছা'ৰ ধাৰণা

*(c)* Explain existentialists' view that 'truth is subjective'.

'সত্য ব্যক্তিনিষ্ঠ' বুলি অভিহিত কৰা অস্তিত্ববাদী ধাৰণাটো ব্যাখ্যা কৰা।

*(d)* Sartre's concept of freedom

ছাৰ্ত্ৰৰ স্বাধীনতাৰ ধাৰণা

*(e)* Explain the statement that existentialism is a 'movement of protest'.

অস্তিত্ববাদ এক 'প্ৰতিবাদী আন্দোলন'—কথাষাৰ ব্যাখ্যা কৰা।

**4.** Answer any *three* of the following : 10×3=30

তলত দিয়াবোৰৰ যি কোনো তিনিটাৰ উত্তৰ দিয়া :

*(a)* What is existentialism? Distinguish between Theistic and Atheistic existentialism. 2+8=10

অস্তিত্ববাদ কি? ঈশ্বৰবাদী আৰু নিৰীশ্বৰবাদী অস্তিত্ববাদৰ মাজত পাৰ্থক্য নিৰূপণ কৰা।

*(b)* Discuss after Kierkegaard the three stages of human existence.

কিৰ্কেগাৰ্ডৰ মতে মানৱ অস্তিত্বৰ তিনিটা স্তৰ আলোচনা কৰা।

*(c)* Explain Nietzsche's concept of Superman.

নীৎস্যেৰ অতিমানৱৰ ধাৰণাটো ব্যাখ্যা কৰা।

*(d)* "Existence precedes essence." Explain and examine the statement.

"অস্তিত্ব সাৰসত্তাৰ পূৰ্বৱৰ্তী।" উক্তিটো ব্যাখ্যা আৰু বিচাৰ কৰা।

*(e)* Explain phenomenology as a trend of the contemporary Western Philosophy.

সমসাময়িক পাশ্চাত্য দৰ্শনৰ এটি অন্যতম ধাৰা হিচাপে প্ৰতীতিবাদ সম্পৰ্কে ব্যাখ্যা কৰা।

*(f)* Discuss general characteristics of existentialism.

অস্তিত্ববাদৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

★★★